পূৰণ কৰিবলগীয়া চৰ্তসমূহৰ মাজত আটাইতকৈ বেছি গুৰুত্বপূৰ্ণ চৰ্তটো হৈছে সেই চৰ্ত, যি চৰ্তৰ দ্বাৰা তোমালোকে নিজৰ স্ত্ৰীৰ লজ্জাস্থানক হালাল কৰি লৈছা।

উক্ববাহ বিন আমিৰ আল-জুহানী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ পূৰণ কৰিবলগীয়া চৰ্তসমূহৰ মাজত আটাইতকৈ বেছি গুৰুত্বপূৰ্ণ চৰ্তটো হৈছে সেই চৰ্ত, যি চৰ্তৰ দ্বাৰা তোমালোকে নিজৰ স্ত্ৰীৰ লজ্জাস্থানক হালাল কৰি লৈছা।
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত স্পষ্টভাৱে উল্লেখ কৰিছে যে, পূৰণ কৰিবলগীয়া চৰ্তসমূহৰ মাজত আটাইতকৈ বেছি গুৰুত্বপূৰ্ণ চৰ্তটো হৈছে বিবাহৰ সময়ত স্ত্ৰীৰ লজ্জাস্থান হালাল কৰিবলৈ যি চৰ্ত বান্ধি দিছিল সেইটো পূৰণ কৰা। অৰ্থাৎ বিবাহৰ সময়ত স্ত্ৰীৰ ফালৰ পৰা স্বামীক দিয়া যিকোনো বৈধ চৰ্ত ইয়াৰ অন্তৰ্ভুক্ত।

http://www.sunnah.global/hadeeth/as/show/6021